# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 16-04-2025
**Time:** 12-05 Hrs

***Assamese Midday Bulletin***

- - - - - - - - - - - - - -

সাদিনীয়া ব'হাগ বিহুৰ আজি গোসাঁই বিহু। ৰঙালী বিহুৰ তৃতীয় দিনটো অসমবাসীয়ে আজি পৰম্পৰাগতভাৱে গোসাঁই বিহু হিচাপে পালন কৰে। পুৱাৰে পৰা ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ সত্ৰ, নামঘৰ, মন্দিৰ, দেৱালয়কে ধৰি ধৰ্মীয় অনুষ্ঠানসমূহত জনসাধাৰণে ভিৰ কৰিছে। বিভিন্ন সত্ৰ-নামঘৰত আজি নাম-প্ৰসংগ, মন্দিৰসমূহত পূজা-অৰ্চনাকে ধৰি ভালেমান কাৰ্যসূচী লোৱা হৈছে। বছৰটোৰ বাবে নিজৰ লগতে আপোনজনৰ মংগল কামনাৰে ৰাইজে আজি নেদেখাজনৰ ওচৰত আশীষ লৈছে। ৰাজ্যজুৰি বহাগ বিহুৰ আনন্দ উছাহ অব্যাহত আছে। উজনিৰ পৰা নামনিলৈ গাঁৱে ভূঞে, চহৰে নগৰে ঢোল, পেপাৰ শব্দ আৰু নাচনীৰ নাচোনৰ চেৰত উৎসৱমুখৰ পৰিবেশৰ সৃষ্টি হৈছে। গুৱাহাটী মহানগৰীৰ বিভিন্ন প্ৰান্তত মঞ্চ বিহু কাৰ্যসূচী অনুষ্ঠিত হৈছে। ভৰলুমুখ, চানমাৰি, গণেশগুৰি, নুনমাটি, বেলতলাকে ধৰি বিভিন্ন ঠাইত মঞ্চবিহুৰ আকৰ্ষণীয় অনুষ্ঠান উপভোগ কৰিবলৈ অগণন লোকে ভিৰ কৰিছে। বিহুৰ সৈতে সংগতি ৰাখি ঠায়ে ঠায়ে বিহু নাচ গান, হুঁচৰি, জেং বিহু ঢোল বাদন আৰু অন্যান্য সাংস্কৃতিক প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে।

ooooo

আসন্ন পঞ্চায়ত নিৰ্বাচনৰ বাবে কাইলৈ মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন। বিয়লি ৩ বজাত মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ সময় উকলি যোৱাৰ পাছত নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা প্ৰাৰ্থীৰ চূড়ান্ত তালিকা প্ৰকাশ কৰা হ'ব। ৰাজ্যৰ বিভিন্ন ঠাইত প্ৰাৰ্থীসকলে নিৰ্বাচনৰ বাবে প্ৰচাৰ আৰম্ভ কৰিছে। জিলা আয়ুক্তসকলে ভিন ভিন স্থানত স্থাপন হ'বলগীয়া ষ্ট্ৰং ৰুম আৰু গণনা কক্ষৰ স্থান পৰিদৰ্শন কৰাৰ উপৰি নিৰ্বাচনৰ বিভিন্ন দিশ তথা কাম-কাজৰ বুজ লৈছে।

ooooo

উত্তৰ-পূব সীমান্ত ৰে'লৱেই চেণ্ট্ৰেল ইকুইপমেণ্ট আইডেণ্টিটি ৰেজিষ্টাৰ, চি ই আই আৰ পোৰ্টেলৰ সহায়ত হেৰুওৱা মোবাইল ফোন উদ্ধাৰ কৰাৰ ক্ষেত্ৰত বিশেষ সফলতা লাভ কৰিছে। যোৱা বছৰৰ ২০ এপ্ৰিলৰ পৰা চলিত মাহলৈকে ৫২৮টা মোবাইল ফোনৰ সন্ধান উলিওৱা হয়। এই পদক্ষেপে যাত্ৰীৰ নিৰাপত্তা নিশ্চিতকৰণ আৰু

তাৎক্ষণিকভাৱে ৰাজহুৱা সেৱা প্ৰদান কৰাৰ দিশত প্ৰযুক্তিৰ বৰ্ধিত ভূমিকাক প্ৰতিফলিত কৰিছে বুলি উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ সূত্ৰই প্ৰকাশ কৰিছে। সূত্ৰটোৱে উল্লেখ কৰা মতে ৰে'লৱে সুৰক্ষা বাহিনী আৰু সংশ্লিষ্ট কৰ্তৃপক্ষৰ প্ৰচেষ্টাৰে ১০৯টা ফোন উদ্ধাৰ কৰা হয়। ইয়াৰ উপৰি মোবাইল ফোন চুৰি বা অবৈধভাৱে ৰখাৰ অভিযোগত ২১জন লোকক কৰায়ত্ত কৰা হৈছে। উদ্ধাৰ হোৱা মোবাইল ফোনসমূহ লোকসকলক ঘূৰাই দিয়া হৈছে বুলিও সূত্ৰটোৱে প্ৰকাশ কৰিছে।

০০০০০

উত্তৰ পূৰ্বাঞ্চল দেশৰ চুবুৰীয়া প্ৰথম, এক্ট ইষ্ট আৰু বিমষ্টেকৰ দৰে নীতিসমূহৰ কেন্দ্ৰবিন্দুস্বৰূপ আৰু অনাগত সময়ত অঞ্চলটোৰ প্ৰাসংগিকতা বৃদ্ধি পাব বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে প্ৰকাশ কৰিছে। আসন্ন উত্তৰ পূৱ বিনিয়োগকাৰী সন্মিলন ২০২৫ সম্পৰ্কে কালি ৰাষ্ট্ৰদূতসকলৰ এখন বৈঠকত ভাষণ দি মন্ত্ৰীগৰাকীয়ে এইদৰে প্ৰকাশ কৰে। ড০ জয়শংকৰে উত্তৰ পূৱ উন্নয়ন মন্ত্ৰালয়ে আয়োজন কৰা এই সন্মিলনৰ জৰিয়তে অঞ্চলটোৰ বৈশিষ্টসমূহৰ অন্বেষণ কৰিবলৈ আৰু নিজৰ উদ্যোগৰ প্ৰসাৰ সাধন কৰিবলৈ আহ্বান জনায়।

০০০০০

উচ্চতম ন্যায়ালয়ে আজি ৱক্ফ সংশোধনী আইন ২০২৫ৰ সাংবিধানিক বৈধতাক প্ৰত্যাহ্বান জনাই দাখিল কৰা কেইবাখনো আবেদনৰ শুনানি গ্ৰহণ কৰিব। সৰ্বোচ্চ ন্যায়ালয়ৰ ৱেৱছাইটত প্ৰকাশ কৰা তালিকা অনুসৰি মুখ্য ন্যায়াধীশ সঞ্জীৱ খান্না, ন্যায়াধীশ সঞ্জয় কুমাৰ আৰু ন্যায়াধীশ কে ভি বিশ্বনাথনক লৈ গঠিত এখন বিচাৰপীঠে এই আবেদনসমূহৰ শুনানি গ্ৰহণ কৰাৰ কথা। উল্লেখযোগ্য যে অসমৰ উপৰি ৰাজস্থান, ছত্তিশগড়, উত্তৰাখণ্ড, হাৰিয়ানা আৰু মহাৰাষ্ট্ৰৰ পৰা এই বিষয়টো সন্দৰ্ভত উচ্চতম ন্যায়ালয়ৰ হস্তক্ষেপ বিচাৰি আবেদন দাখিল কৰা হৈছে। অসমৰ ৮খন জিলা ষষ্ঠ অনুসূচীৰ অন্তৰ্ভুক্ত হোৱা হেতুকে এই বিষয়টোৰ প্ৰতি বিশেষ গুৰুত্ব দিবলৈ আবেদনত উল্লেখ কৰা হৈছে।

০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে বাতৰি আৰু ইয়াৰ অনুষ্ঠান সম্পৰ্কত শ্ৰোতা ৰাইজৰ মতামত আৰু অভিমত লোৱাৰ বাবে ফোন লাইন পুনৰ মুকলি কৰিছে। আঞ্চলিক বাতৰি, ৰাষ্ট্ৰীয় আৰু আন্তৰ্জাতিক বাতৰি, জিলাৰ ৰেহৰূপ, দৃষ্টিপাত, সংবাদ চলন্তিকা, ক্ৰীড়া বাৰ্তা আৰু প্ৰাসংগিক অনুষ্ঠান সম্পৰ্কীয় অভিমত আৰু পৰামৰ্শ শ্ৰোতাসকলে ৯৮৬৪০ ৫৫৫৬৬ নম্বৰত ৱাটছএপ যোগে পঠিয়াব পাৰিব। এই অনুষ্ঠানৰ নিৰ্বাচিত অংশ অহা ১৯ এপ্ৰিল শনিবাৰে নিশা ৮ বাজি ২ মিনিটত দৃষ্টিপাত অনুষ্ঠানত প্ৰচাৰ কৰা হ'ব।

০০০০০

কাচাৰ আৰক্ষীয়ে শিলচৰৰ বেৰেংগাত যোৱা দেওবাৰে ৱক্ফ আইনৰ বিৰুদ্ধে হোৱা প্ৰতিবাদৰ সংক্ৰান্তত ৭ জন লোকক গ্ৰেপ্তাৰ কৰিছে। আৰক্ষী অধীক্ষক নোমাল মাহাট্টাই প্ৰকাশ কৰা মতে, আৰক্ষীয়ে যোৱা নিশা শিলচৰ থানাৰ অধীনৰ ভাগাদহৰ আৰু কাশিপুৰ অঞ্চলত অভিযান চলাই এই ঘটনাত প্ৰাথমিকভাৱে জড়িত ৭ জন অভিযুক্তক গ্ৰেপ্তাৰ কৰে। ঘটনাৰ তদন্ত অব্যাহত আছে।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি নতুন দিল্লীত হবলগীয়া এখন খেলত ডেলহি কেপিটেলছ, ৰাজস্থান ৰয়েলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

প্ৰতিযোগিতাত কালি পঞ্জাব কিংছে কলকাতা নাইট ৰাইডাৰ্ছক ১৬ ৰাণত পৰাস্ত কৰে। খেলখনত কলকাতাই ১১২ ৰাণৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৫ অভাৰ আৰু এটা বলত আটাইকেইটা উইকেট হেৰুৱাই ৯৫ ৰানহে কৰিবলৈ সমৰ্থ হয়। ইয়াৰ পূৰ্বে পাঞ্জাবে প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ ১৫ অভাৰ ৩টা বলত আটাইকেইটা উইকেট হেৰুৱাই ১১১ ৰাণ কৰিবলৈ সমৰ্থ হয়।

ooooo

সমাপ্ত